بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**উহুদৰ যুদ্ধৰ পৰিস্থিতি আৰু ঘটনাৱলী সম্পৰ্কে বৰ্ণনা আৰু পেলেষ্টাইনৰ নিৰাপৰাধ,নিষ্পাপ লোক সকলৰ বাবে বিশেষ দোৱাৰ আহ্বান**

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২২ ডিচেম্বৰ ২০২৩ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ ـ بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ ـ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ ـ الرَّحْمٰنِ الرَّحِيْمِ ـ مٰلِكِ يَوْمِ الدِّيْنِ ـ إِيَّاكَ نَعْبُدُ وَإِيَّاكَ نَسْتَعِيْنُ ـ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ ـ صِرَاطَ الَّذِيْنَ أَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ ـ

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয়, আজিকালি খোতবাত উহুদৰ যুদ্ধৰ ঘটনাৱলী বৰ্ণনা হৈ আছে। যিদৰে উল্লেখ কৰা হৈছিল যে সাধাৰণ যুদ্ধত মুছলমান সকলে কাফিৰ সকলক বৰ ক্ষতি কৰিছিল, যাৰ ফলত সিহঁতে পলায়ন কৰিবলৈ বাধ্য হৈছিল। কিন্তু আঁহজৰত (ছাঃ)য়ে নিৰ্দেশ কৰা সত্ত্বেও যেতিয়া গিৰিপথৰ সুৰক্ষাৰ বাবে নিৰ্ধাৰিত কৰা সুৰক্ষাকাৰীয়ে গিৰিপথ খালি কৰে, তেতিয়া শত্ৰু সকলে সিহঁতক (মুছলমান সকলক) আক্ৰমণ কৰে, যাৰ ফলত মুছলমান সকলৰ বৰ ক্ষতিগ্ৰস্ত হয়। ইয়াৰ বিৱৰণ এনেদৰে যে যেতিয়া পৌত্তলিক সকলৰ নেতৃবৃন্দ এজন এজনকৈ ধ্বংস হয় তেতিয়া সিহঁতে পিছহুঁহকি পলায়ন কৰে। মুছলমান সকলে যেতিয়া কাফিৰ সকলক পলায়ন কৰা দেখিবলৈ পায়, তেতিয়া সিহঁতে মালেগনিমত (যুদ্ধলব্ধ) সমূহ একগোট কৰাত ব্যস্ত হৈ পৰে। তেতিয়া মুছলমান সকলৰ সেই তীৰ চলোৱাত পাৰ্গত দল, যাক হুজৰ (ছাঃ)য়ে গিৰিপথৰ সুৰক্ষাৰ বাবে নিৰ্দেশ দিছিল যে কোনো প্ৰকাৰে নিজৰ ঠাইৰ পৰা গুচি নাযাব। তাৰ পিছত সিহঁতে যুদ্ধলব্দ বস্তু-বাহানি জমা কৰাৰ বাবে নিজৰ ঠাই এৰি গুচি যায়। হুজুৰ (ছাঃ)ৰ ফালৰ পৰা নিযুক্ত কৰা আমিৰ হজৰত আব্দুল্লাহ বিন জুবেৰ (ৰাঃ)য়ে সিহঁতক নিৰ্ধাৰিত ঠাইৰ পৰা যাবলৈ নিষেধ কৰে, কিন্তু সিহঁতে তেওঁৰ কথা অমান্য কৰে। হজৰত আব্দুল্লাহ বিন জুবেৰ (ৰাঃ)ৰ সৈতে ১০ জনতকৈ কম লোক নিৰ্দিষ্ট কৰা ঠাইত ৰৈ যায়।

বেছিভাগ ইতিহাস আৰু পুস্তক সমূহৰ ইতিহাস আৰু হাদীছবোৰত এয়া লিখা আছে যে সেই সকল চাহাবা যিসকলে গিৰিপথ এৰি গুচি যায়, সিহঁতে যুদ্ধলব্ধ সামগ্ৰী সমূহ জমা কৰাৰ বাবে খদ-দৰ কৰিছিল। ছুৰা আল ইমৰানৰ আয়াত ১৫৩ ৰ বিৱৰণত বিৱৰণকাৰী সকলে এয়া লিখিছে যে চাহাবা সকলে যুদ্ধলব্দ

বস্তু-বাহানি লোৱাৰ বাবে খৰ-দৰ কৰিছিল। কিন্তু চাহাবা সকলে পাৰ্থিৱ জগতৰ লোভত গিৰিপথ এৰা নাছিল। চাহাবা সকলৰ বিষয়ে এনেকুৱা চিন্তা-ভাৱনা কৰা সিহঁতৰ মৰ্যাদাৰ পৰিপন্থী যে সিহঁতে যুদ্ধলব্ধ সা-সামগ্ৰীৰ লোভত পৰিছিল। ৰছুলুল্লাহ (ছাঃ)ৰ খাতিৰে সিহঁতে নিজৰ পৰিয়ালবৰ্গ, নিজৰ সা-সম্পদ এৰি থৈ নিজৰ প্ৰাণ বিসৰ্জন দিবলৈ প্ৰস্তুত আছিল। বিজয় লাভ কৰাৰ পিছত যুদ্ধলব্ধ অৰ্জন হোৱা পৃথক কথা, কিন্তু সিহঁতৰ যুদ্ধলব্ধৰ সা-সামগ্ৰী লাভ কাৰ উদ্দেশ্য নাছিল। যেতিয়া গিৰিপথত উপস্থিত থকা চাহাবা সকলে দেখিবলৈ পায় যে কাফিৰ সকলৰ প্ৰতিদ্বন্দ্বিতাত বিজয় সুস্পষ্ট,আৰু মুছলমান সকলে কাফিৰ সকলক খেদি পঠাই আছে, তেতিয়া এই চাহাবা সকলেও বিজয়ৰ আনন্দ উপভোগ কৰা চাহাবা সকলৰ আনন্দত চামিল হোৱাৰ বাবে ব্যাকুল হৈ পৰিছিল। সিহঁতে সম্ভৱত ভাৱিছিল যে আমাৰ ভাই সকলে জিহাদত পোনপটীয়াকৈ অংশ গ্ৰহণ কৰিছে আৰু আমি গিৰিপথত থিয় হৈ আছো, সেই কাৰণে যুদ্ধৰ শেষ মুহূৰ্তত সিহঁতেও সেই জিহাদত চামিল হৈ বিজয়ৰ আনন্দত অংশ গ্ৰহণ কৰি গিৰিপথ এৰি যুদ্ধ ময়দানলৈ আহি যায়।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়েও ছুৰা আল ইমৰানৰ আয়াত ১৫৩ ৰ এই সন্দৰ্ভত বিৱৰণৰ টোকা লিখিছে যি প্ৰকাশ হোৱা নাছিল। কৈছে যে  মূল কথা এয়া যে গিৰিপথত নিৰ্ধাৰিত চাহাবা সকলৰ এই ইচ্ছুক আছিল যে আমিও উহুদৰ যুদ্ধত অংশ গ্ৰহণ কৰিম। এয়া এক প্ৰকাৰ পাৰ্থিৱ জগতৰ ইচ্ছা আছিল। কাৰণ সিহঁতে ভাৱি আছিল যে আমি পোনপটীয়াকৈ যুদ্ধত অংশ গ্ৰহণ কৰিব পৰা নাই; কিন্তু সিহঁতে ৰছুলুল্লাহ (ছাঃ)ৰ আদেশৰ অনুসৰণ কৰা আৱশ্যকৰণীয় আছিল। খোদা তা'লাই কৈছে যে তোমালোকৰ অফিচাৰ আৰু লগৰীয়া সকলে আখিৰতক বিছাৰিছে। সেই দৃষ্টিকোণত পৰিণাম আৰু ফলাফল ওলাইছিল। সেইজনাই জানিছিল যে ইয়াৰ পৰিণাম ভাল নহ'ব। তাৰ পৰিপন্থী তোমালোকৰ দৃষ্টি নিক্ষেপ হৈছিল। এই অৰ্থত সিহঁতৰ মৰ্যাদা আছিল যি সিহঁতৰ কাম আৰু কোৰবাণীৰ পৰা প্ৰকাশ পাইছিল।

হজৰত খলিফাতুল মছীহ আলখামিছ (আইঃ)য়ে কৈছে যে ইয়াত পাৰ্থিৱ জগতৰ অৰ্থ হ'ল যিসকল লোকে লুট-পাট কৰি যুদ্ধলব্ধৰ সা-সামগ্ৰী লাভ কৰা বুলি ভাৱে, তেনেকুৱা ভৱা ঠিক নহয়। সিহঁতে ক্ষন্তেকীয়া বিজয়ৰ ফালে দৃষ্টি ৰাখিছিল, আৰু পাৰ্থিৱ জগতৰ অৰ্থ এয়া আছিল যে বিজয় প্ৰথমে লাভ হৈছিল সেইফালে সিহঁতৰ দৃষ্টি আছিল, কিন্তু আব্দুল্লাহ বিন জুবেৰ (ৰাঃ)ৰ দৃষ্টি আখিৰতৰ ফালে আছিল। তেওঁ আঁহজৰত (ছাঃ)ৰ অনুকৰণতেই বিশাল আকাৰৰ সফলতা দেখিবলৈ পাইছিল।

অৰ্থাৎ গিৰিপথ খালি হৈ গৈছিল আৰু আব্দুল্লাহ বিন জুবেৰ (ৰাঃ)য়ে নিজৰ কেইবাজন লগৰীয়াক লৈ তাতে স্থিৰ হৈ থাকিছিল। পলায়ন কৰা মক্কাৰ কাফিৰ সকলৰ নেতা খালিদ বিন অলিদ যিজন এতিয়ালৈকে বিশ্বাস স্থাপন কৰা নাছিল, তেওঁ গিৰিপথ খালি দেখা পাই আকৰামা বিন আবি জেহেলক লগতে লৈ আহি অশ্বাৰোহীৰ সৈতে সেই পাহাৰৰ গিৰিপথত আক্ৰমণ কৰে। কাফিৰ সকলৰ এই আক্ৰমণ ইমানেই প্ৰবল আছিল যে এবাৰ আক্ৰমণৰ ফলতেই গিৰিপথত থকা চাহাবা সকল শ্বহীদ হৈ যায়। মুছলমান সকলে এই আক্ৰমণৰ পৰা অবিদিত আছিল আৰু যুদ্ধলব্ধৰ সা-সামগ্ৰী জমা কৰাত আৰু কাফিৰ সকলক কয়েদী বনোৱা কামত ব্যস্ত আছিল, যাৰ ফলতে সিহঁতে নিজকে চম্ভালিব নোৱাৰে আৰু কাফিৰ সকলৰ হঠাতে আক্ৰমণ কৰাৰ ফলত মুছলমান সকল ছেদেলি-ভেদেলি হৈ যায়, যাৰ ফলত যুদ্ধৰ বিজয় কাফিৰৰ সপক্ষে ফালৰি কাটে। পলায়ন কৰা কাফিৰ সকলে হঠাতে নতুন পদ্ধতি অৱলম্বন কৰিলে আৰু চাৰিওফালৰ পৰা মুছলমান সকলক ঘেৰাও কৰিলে। মুছলমান সকলৰ ক্ৰম ছেদেলি-ভেদেলি হৈ যায়, যাৰ ফলত যুদ্ধলব্ধৰ সা-সামগ্ৰী সমূহ নিজৰ হাতৰ পৰা দলিয়াই দিয়ে। এই যুদ্ধত হজৰত হামজা (ৰাঃ) শ্বাহাদত বৰণ কৰে। তেখেতে দুখন তৰোৱালেৰে হুজুৰ (ছাঃ)ৰ সন্মুখতে যুদ্ধ কৰি আছিল। তেখেত বৰ বীৰদৰ্পে কেতিয়াবা আগবাঢ়ি

গৈছিল,কেতিয়াবা পিছফালে আহিছিল। হঠাতে তেখেত পিছলি যায়, যাৰ ফলত হাৰশীয়ে সুযোগ পাই বল্লম নিক্ষেপ কৰি শ্বহীদ কৰি দিয়ে।

হজৰত মির্জা বশিৰ আহমদ চাহাব (ৰাঃ)য়ে কৈছে যে যেতিয়া হজৰত মহম্মদ (ছাঃ)য়ে হজৰত হামজা (ৰাঃ)ৰ শ্বাহাদতৰ সংবাদ পায়, তেতিয়া তেখেত (ছাঃ)য়ে বৰকৈ আঘাত পায়। বর্ণনাত বর্ণিত আছে যে হজৰত হামজা (ৰাঃ)ৰ প্রতি ভালপোৱা প্রকাশ কৰি কৈছে যে সেই হাৰশী মোৰ সন্মুখলৈ যেন নাহে। তেতিয়া হাৰশীয়ে নিজৰ হৃদয়ত এই অঙ্গীকাৰ কৰে যে যি হাতেৰে মই ৰছুলৰ খুৰাক হত্যা কৰিছো যেতিয়ালৈকে সেই হস্তৰে কোনো ইছলামৰ ডাঙৰ শত্রুক হত্যা নকৰো, তেতিয়ালৈকে মোৰ হৃদয়ে শান্তি নাপায়। অর্থাৎ হজৰত আবু বক্কৰ (ৰাঃ)ৰ খিলাফত কালতে তেওঁ ইয়ামামাৰ যুদ্ধত মিছা নবীৰ দাবীকাৰক মুছায়লিমা কাজ্জাবক হত্যা কৰি নিজৰ অঙ্গীকাৰ পূর্ণ কৰে।

হজৰত হামজা (ৰাঃ)ৰ মৃতদেহক অসন্মানী কৰা হৈছিল, তেখেত (ৰাঃ)ৰ মৃত দেহক টুকুৰা-টুকুৰ কৰা হৈছিল। সেই দৃশ্য চাই ৰছুলুল্লাহ (ছাঃ)য়ে বৰ আঘাত পাইছিল। হজৰত হামজা (ৰাঃ)ৰ ভনী এগৰাকী দৃঢ়সংকল্প মহিলা আছিল। তাই যুদ্ধৰ শেষ মুহূর্তত ততাতৈয়াকৈ যুদ্ধ ময়দানলৈ আগবাঢ়ি গৈছিল। তাই মুছলমান সকলৰ মৃতদেহৰ প্ৰায় কাষ চাপি গৈছিল, ইমানতে ৰছুলুল্লাহ (ছাঃ)য়ে তাইক সেই সমূহ দৃশ্য চাবলৈ দিয়া নাছিল এই কাৰণেই যে তাইৰ মনত বৰ দুঃখ পাব। হজৰত ছাফিয়া (ৰাঃ)ক সেই মৃত দেহৰ দৃশ্য চাবলৈ নিষেধ কৰা হৈছিল, কিন্তু তাইক বাধা দিব পৰা নগ'ল। অৱশেষত যেতিয়া তাইক কোৱা হয় যে ৰছুলুল্লাহ (ছাঃ)য়ে আপোনাক সেই মৃতদেহ চাবলৈ নিষেধ কৰিছে, তেতিয়া তাই ৰৈ যায় আৰু নিজৰ ফালৰ পৰা দুখন কাপোৰ দি কয় যে এয়া মোৰ ভাই হামজাৰ কাৰণে লৈ আহিছো। কাৰণ মই তেওঁৰ শ্বাহাদতৰ খবৰ পাইছো। হজৰত ছাফিয়া (ৰাঃ)য়ে নিজৰ ভাই হামজা (ৰাঃ)ৰ মৃতদেহ চোৱাৰ ইচ্ছা প্রকাশ কৰে, এই কথা হুজুৰ (ছাঃ)লৈ কোৱা হয়, তেতিয়া হুজুৰ (ছাঃ)য়ে অনুমতি প্ৰদান কৰে। হজৰত ছাফিয়া (ৰাঃ)য়ে নিজৰ ভাতৃৰ টুকুৰা মৃত দেহক চোৱাৰ পিছতেই নিজকে নিয়ন্ত্রণ কৰিব নোৱাৰি চকুৰ পৰা অশ্রু নির্গত হ'ব ধৰিলে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে যুদ্ধৰ বিস্তাৰিত বিৱৰণ পৰৱর্তীত বর্ণনা কৰা হ'ব বুলি কৈ পেলেষ্টাইন সকলৰ বাবে দোৱাৰ আবেদন জনায়। অত্যাচাৰৰ বিৰুদ্ধে সঠিক পদক্ষেপ লোৱাৰ বাবে আল্লাহ তা'লা সৌভাগ্য দান কৰক। অতাচ্যাৰ হৈ আছে বুলি এই সন্দৰ্ভত কিছু মাত বৃদ্ধি পাই আছে। কিন্তু ইজৰাইল শাসনে ভাৰি আছে যে সকলোৰে ভীত হৈ আছে, প্রকৃততে পাশ্চত্য দেশ সমূহত সিহঁতে মুছলমান সকলৰ শত্রু হৈ আছে, হিংসাৰ কাৰণে সিহঁতে বিচাৰিছে যে মুছলমান সকলৰ ওপৰত অত্যাচাৰ কৰা যেন অন্ত নপৰে। সিহঁতে এয়া চোৱা নাই নে যে নির্দোষ শিশু, মহিলা আৰু বয়সীয়াল সকলৰ ওপৰত নির্মম ভাৱে অত্যাচাৰৰ সীমা চেৰাই গৈ আছে ? আমি সিহঁতৰ ওপৰত ভৰসা কৰিব নোৱাৰো, কিন্তু প্ৰয়াস কৰি থকা উচিত আৰু সিহঁতক বুজোৱা উচিত আৰু দোৱা কৰি থকা উচিত। মুছলমান শাসন কর্তাক আল্লাহ তা'লাই সাহসীয়াল মাত মতাৰ সৌভাগ্য দান কৰক। সকলোৰে একগোট হৈ এই অত্যাচাৰৰ বিৰুদ্ধে মাত মাতি সেয়া শেষ কৰাৰ প্ৰয়াস কৰা উচিত।

হুজুৰ আনোৱাৰ (আইঃ)য়ে দুটা নামাজে জানাজা গায়েব পঢ়াৰ ঘোষণা কৰে

১। মাননীয় শ্বেষ আহমদ হুছেইন আবু ছৰদানা চাহাব যিজন গাজাৰ বাসিন্দা। যোৱা দিনত ইজৰাইলৰ বম বিস্ফোৰণত তেখেত শ্বাহাদত বৰণ কৰে। ইন্না লিল্লাহি ওৰা ইন্না ইলায়হি ৰাজিউন। মৰহুম গাজাৰ যুদ্ধত শ্বাহাদত বৰণ কৰা প্রথম আহমদী হয়। মৰহুমৰ বয়স প্রায় ৯৪ বছৰ। মৰহুম আলআজহৰ ইউনিভাৰছিটিৰ

পৰা শিক্ষা অৰ্জন কৰিছিল। ১৯৭০ চনত তেখেতে খোদাৰ কৃপাত বয়াত কৰি আহমদীয়ত গ্ৰহণ কৰে; মৰহুম সহানুভূতিশীল, খলিফাৰ প্ৰতি ভালপোৱা, কোৰআন কৰিম নিয়মিত পাঠ কৰোতা এজন নিষ্ঠাবান আহমদী আছিল। তেখেতৰ কোনো সন্তান নাই। তেখেতৰ দ্বিতীয় স্ত্ৰী যিগৰাকী তেখেতৰ লগতেই আছিল তাইয়ো এই বিস্ফোৰণত আঘাতপ্ৰাপ্ত হয়। আল্লাহ তা'লা তেওঁৰ মৰ্যাদা উন্নীত কৰক; আৰু তেওঁৰ ঘৈনীয়েকক আৰোগ্য দান কৰক। আল্লাহ তা'লা সিহঁতৰ দোৱা পেলেষ্টাইনৰ সপক্ষে গৃহীত কৰক, আৰু তাতে শান্তি প্ৰতিষ্ঠিত কৰক আৰু তাৰে বাসিন্দা সকলক হজৰত মছীহ মাওউদ (আঃ)ৰ মান্য কৰাৰ সৌভাগ্য দান কৰক।

২। কেনিয়াৰ মাননীয় উছমান আহমদ গাকুৰিয়া চাহাব। মৰহুম যোৱা দিনত মৃত্যু বৰণ কৰিছে। ইন্না লিল্লাহি ওৱা ইন্না ইলায়হি ৰাজিউন। তেখেতে দীৰ্ঘ সময়লৈকে জামাতৰ সেৱা আগবঢ়াইছে। কেইবাখন পুস্তক চিৰাহিলি ভাষাত অনুবাদ কৰিছে। মৰহুম চৰিত্ৰবান ব্যক্তি আছিল। নিয়মিত তাহাজ্জুদৰ নামাজ পঢ়িছিল, চান্দা নিয়মিত ভাৱে আদায় কৰিছিল। মুবাল্লিগ সকলক সন্মান কৰোতা আছিল,আপ্যায়নকাৰী,আৰু পুণ্যবান বুজুৰ্গ আছিল। মৰহুমৰ প্ৰত্যেকজন সন্তানে জামাতৰ কিবা কিছু সেৱা আগবঢ়াই আছে। হুজুৰ আনোৱাৰ (আইঃ)য়ে মৰহুমিন সকলৰ সদগতি কামনা কৰি সিহঁতৰ মৰ্যাদা উন্নীত হোৱাৰ বাবে দোৱা কৰে।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِىَ لَهٗ وَنَشْهَدُ أَنْ لَّا اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 22 DEC 2023**

## BOOK POST (PRINTED MATTER)

TO,

.................................................................................................................................

.................................................................................................................................

.................................................................................................................................

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 6000032598,9707110844**